জন্ম শতবৰ্ষ উপলক্ষে নতুন দিল্লীত বিশেষ আয়োজন

# ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য স্মাৰক দুদিনীয়া কৰ্মশালাৰ আয়োজন সাহিত্য অকাদেমিৰ



দীপাংকৰক জেৰা চলাবলৈ সাজু

## ট্ৰেডিং কেলেংকাৰি ঃ চুমি, তাৰ্কিকক জিম্মাত ল'লে চি বি আয়ে

16:30

# ড° বীৰেন্দ্ৰ কুমাৰ...

মনোজ গোস্বামী, ৰত্নোত্তমা দাসে এই ৰাষ্ট্ৰীয় পৰ্যায়ৰ কৰ্মশালাত অংশগ্ৰহণ কৰিব। উল্লেখযোগ্য যে বিশিষ্ট কবি, নাট্যকাৰ, অনুবাদক, সম্পাদক আৰু সাহিত্য সংগঠক বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য উত্তৰ-পূবৰ পৰা সাহিত্য অকাদেমিৰ প্ৰথমজন আৰু একমাত্ৰ সভাপতি আছিল। ড° ভট্টাচাৰ্য আধুনিক অসমীয়া সাহিত্যৰ প্ৰথমগৰাকী অসমীয়া সাহিত্যিক যি ১৯৭৯ চনত তেওঁৰ উপন্যাস মৃত্যুঞ্জয়ৰ বাবে জ্ঞানপীঠ বঁটা লাভ কৰিছিল। ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই নৱ-প্ৰজন্মৰ সাহিত্য প্ৰতিভাসমূহ আৱিষ্কাৰ কৰাই নহয় এইবোৰক প্ৰতিপালন কৰি সাহিত্যৰ বিশাল ক্ষেত্ৰখনলৈ আগবঢ়াই দিয়াৰ ক্ষেত্ৰত ঐতিহাসিক অসমীয়া আলোচনী ৰামধেনুৰ সম্পাদক হিচাপে ১৯৬০ চনৰ পৰা যি নেতৃত্ব বহন কৰিছিল তাৰ বাবে অসমীয়া সাহিত্য জগতত তেওঁ এক সুকীয়া স্থান দখল কৰিবলৈ সক্ষম হৈছিল। ১৯৮৩ চনৰ পৰা ১৯৮৫ চনলৈ অসম সাহিত্য সভাৰ সভাপতিৰ পদ অলংকৃত কৰা ড° ভট্টাচাৰ্যই তেওঁৰ উপন্যাস ইয়াৰুইংগমৰ বাবে সাহিত্য অকাদেমি বঁটাও লাভ কৰিছিল। সাহিত্য অকাদেমিয়ে এনে এজন বিৰল প্ৰতিভাধৰ অসমীয়াৰ স্মৃতিত অনুষ্ঠিত কৰিবলৈ লোৱা কৰ্মশালাখনত 'দ্য ইণ্ডুৰিং লিগেচি অৱ্ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য', ভট্টাচাৰ্যছ কালচাৰেল এণ্ড ছ'চিয়েল ইম্পেক্ট, ড° ভট্টাচাৰ্য ঃ স্বেপিং মিডিয়া এণ্ড লিটাৰেৰি ফ্ৰণ্টিয়াৰ্ছৰ দৰে কেইবাটাও গুৰুত্বপূৰ্ণ বিষয়ত আলোচনা হ'ব।

16:30